# পাঠ - ১

# গছ-গছনিৰ কথা

P3R8I9

আমাৰ চাৰিওফালে বহুতো গছ-গছনি আছে। এই গছ-গছনিবোৰ বেলেগ বেলেগ ধৰণৰ। কিছুমান ডাঙৰ আৰু কিছুমান সৰু। কিছুমান মাটিত আৰু কিছুমান গছ পানীত হয়। এই গছ-গছনিবোৰেই হৈছে **উদ্ভিদ**।



➢ ওপৰৰ ছবিত নথকা তুমি জনা আৰু কিছুমান উদ্ভিদৰ নাম কোৱা।

এজোপা আম আৰু এজোপা লাউ গছলৈ মন কৰা। আমৰ গা-গছ টান আৰু শকত, বহুত ওপৰলৈকে ইথিয় হৈ বয়। আনহাতে, লাউ গছৰ গা-গছ কোমল আৰু লেহুকা, ইথিয় হৈ থাকিব নোৱাৰি বগাই যায়।



আম, জাম, কঁঠাল, শাল, আঁহত আদি গছবোৰ বৰ ডাঙৰ। সেইবোৰৰ গা-গছ শকত আৰু ডাল-পাতেৰে ভৰি থকা। এই গছবোৰৰ গা-গছবোৰ ছুই চালে অনুভৱ কৰিবা যে গছবোৰ বৰ টান। এনে ধৰণৰ উদ্ভিদবোৰেই হৈছে **বৃক্ষ**।

অসমৰ শাল আৰু চেগুন বৰ মূল্যৱান বৃক্ষ। এইবোৰ বৃক্ষৰ পৰা পোৱা কাঠৰ পৰা দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা চকী, মেজ, বেঞ্চ, ঘৰৰ দুৱাৰ-খিৰিকী আদি সজা হয়। এই কাঠবোৰ অসমৰ বাহিৰলৈও পঠোৱা হয়।

➢ তোমালোকৰ ঘৰৰ কি কি বস্তু কাঠেৰে তৈয়াৰী সেইবিলাকৰ নামবোৰ কোৱা।

অসম চাহখেতিৰ বাবে বিখ্যাত। তোমালোকে কেতিয়াবা চাহ বাগান দেখিছানে? চাহগছবোৰ চাপৰ আৰু জোপোহা। তোমালোকে সচৰাচৰ দেখি থকা গোলাপ, তগৰ, জেতুকা, জবা, ডালিম আদি গছবোৰো চাপৰ আৰু জোপোহা। এই চাপৰ আৰু জোপোহা গছবোৰেই হৈছে **গুল্ম**।





জিকা, ভোল, লাউ, কোমোৰা, তিয়ঁহ আদি গছৰ বাবে বাঁহৰ চাং সাজি দিয়া নিশ্চয় মন কৰিছা। কেতিয়াবা ভাবি চাইছানে বাঁহৰ চাঙৰ প্ৰয়োজন কিয়? এই উদ্ভিদবোৰ কোমল আৰু লেহুকা, ইহঁত বগাই যায়। বগাবৰ বাবে চাং সাজি দিয়া হয়। তাৰে কিছুমান আকৌ আন গছত বগাই যায়, যেনে— পাণ, জালুক, পিপলি আদি। কিছুমানে আকৌ মাটিতো বগায়। যেনে- ৰঙালাউ, তৰমুজ আদি। এনেদৰে বগাই যোৱা উদ্ভিদবোৰেই হৈছে **লতা জাতীয়** উদ্ভিদ।




দূবৰি বন, ঘাঁহ, ধান, আদি উদ্ভিদবোৰ সৰু আৰু গা-গছবোৰ কোমল। তেনেদৰে ভিন ভিন শাকবিলাকৰ গা-গছবোৰ কোমল। কিছুমানৰ আকৌ গা-গছ ফোঁপোলা। যেনে- বাঁহ। এইবোৰেই হৈছে **তৃণজাতীয়** উদ্ভিদ।



গছ-গছনি আমাৰ বহুতো কামত লাগে। গছৰ পৰা আমি ফুল, ফল-মূল, শস্য, খৰি, ঘৰ সজা সামগ্ৰী যেনে— কাঠৰ তক্তা, বাতাম আদি পাওঁ। কাঠেৰে আমি চকী, মেজকে ধৰি নানা ধৰণৰ আচবাব তৈয়াৰ কৰি লওঁ। পিন্ধা কাপোৰো গছৰ পৰা পোৱা আঁহ, যেনে— কপাহৰ আঁহৰ পৰা প্ৰস্তুত কৰা হয়। ঔষধ আৰু সুগন্ধি দ্ৰব্যও গছৰ পৰা পোৱা যায়। গছত ফুলা ফুলবোৰো আমাৰ বিভিন্ন কামত লাগে। গছে যে ছাঁ দি ঠাইখন শীতল কৰি ৰাখে সেই কথাও আমি পাহৰিব নালাগিব। আমাৰ প্ৰয়োজন হোৱা বায়ু গছ-গছনিয়ে নিৰ্মল কৰি ৰাখে। ইমানবোৰ কামত অহা গছ-গছনি কাটি পেলালে আমাৰ কিমান অসুবিধা হ'ব ভাবি চোৱাচোন ? গছ কাটি নিজৰহে ডাঙৰ অপকাৰ মাতি অনা হ'ব! সেইবাবে সদায় গছ-গছনিক আপডাল কৰিব লাগে, কেতিয়াও গছ-গছনি কাটি নষ্ট কৰিব নালাগে।

এজোপা ঘাঁহ উভালি আনাচোন। কি মন কৰিলা? মাটিৰ তলত সোমাই থকা গছজোপাৰ এটা অংশ দেখা পাইছানে? এই অংশটোৱেই হৈছে **শিপা**। গছে শিপাৰ দ্বাৰা পানী শুহি লয়। শিপাই মাটিত খামুচি ধৰি গছজোপা থিয় কৰি ৰখাত সহায় কৰে। ইয়াৰ ফলত মাটিখিনি ক্ষয় হ'ব নোৱাৰে।



**উদ্ভিদৰ শিপাই খহনীয়া ৰোধ কৰাত আৰু মাটিৰ সংৰক্ষণত সহায় কৰে।**

উদ্ভিদৰ পাতবোৰ লক্ষ্য কৰিছানে? সকলোবোৰ উদ্ভিদৰ পাত একেই নে? বিভিন্ন গছৰ পাত বিভিন্ন ধৰণৰ।

তলৰ ছবিত দেখা পাতবোৰ চিনি পাইছানে? এই ধৰণৰ আৰু বহুতো গছৰ পাত আমাৰ পৰিৱেশত পোৱা যায়।



### ক্ৰিয়া-কলাপ

তোমালোকৰ বিদ্যালয়ৰ চৌহদত পৰি থকা গছৰ পাতবোৰ সংগ্ৰহ কৰি পাতবোৰৰ আকাৰ আৰু আকৃতি ভালকৈ লক্ষ্য কৰা আৰু সেইবোৰ পাতেৰে এখন এলবাম প্ৰস্তুত কৰা (দলগতভাৱে)।



**পাত আমাৰ কি কি কামত লাগে চাওঁ আহা—**

খোৱা বস্তু থবৰ কাৰণে কল গছৰ পাত ব্যৱহাৰ কৰাটো নিশ্চয় সকলোৱে মন কৰিছা।



কিছুমান পাত শাক হিচাপে ৰান্ধি খোৱা হয়।






তেজপাত ৰন্ধা-বঢ়াত ব্যৱহাৰ কৰা হয়।



চাহ গছৰ পাতৰ পৰা চাহপাত প্ৰস্তুত কৰা হয়।



টকৌ পাতেৰে জাপি সজা হয়।




তাল গছৰ পাতেৰে বিচনী সজা হয়।





তুলসী, দূবৰি বন, নিমপাত ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়।






চিত্ৰনলা গছৰ পাতৰ পৰা তেল উলিওৱা হয়। এই তেল বেলেগে বেলেগ কামৰ বাবে লাগে।


## ক্ৰিয়া-কলাপ

- গছৰ পাত এখিলা , ৰঙীন পেঞ্চিল আৰু বগা কাগজ এখন লোৱা ।
- পাত এখিলা মজিয়া বা টেবুলত থোৱা। চাবা, যাতে পাতৰ সিৰা থকা অংশতো ওপৰমুৱা হৈ থাকে। (এইক্ষেত্ৰত শিক্ষকে সহায় কৰি দিব )
- পাতখিলাৰ ওপৰত বগা কাগজখন থোৱা।
- এতিয়া ৰঙীন পেঞ্চিলেৰে কাগজৰ ওপৰত লাহে লাহে ঘঁহিবা। চাবা যাতে পাত খিলা বা কাগজখন লৰচৰ নহয়।





➢ এতিয়া পাতৰ সাঁচটো ভালদৰে লক্ষ্য কৰি কি দেখিলা কোৱা। (শ্ৰেণীৰ সকলোৱে বিভিন্ন পাত ব্যৱহাৰ কৰি এই কাৰ্য কৰিব)



### গছৰ লগত বন্ধুত্ব

- তুমি ঘৰৰ ওচৰত থকা গছ এজোপাৰ লগত বন্ধু পাতি লোৱা।
- তোমাৰ বন্ধু গছজোপাৰ এটা নাম দিয়া আৰু বহীত লিখা।
- পাতবোৰৰ আকাৰ আৰু আকৃতি ভালদৰে লক্ষ্য কৰি বহীত আঁকা।
- পাতবোৰ কেতিয়াবা সৰি যোৱা দেখিছানে? যদি দেখিছা কোন মাহত?
- গছজোপাত কোনো প্ৰাণীয়ে বাস কৰিছেনে ? যদি কৰিছে প্ৰাণী কেইটাৰ নাম লিখা।
- ইয়াৰ বাহিৰে গছডালৰ বিষয়ে আনৰ পৰা কিছু কথা জানি লৈ বহীত লিখা।

## ডাঙৰৰ পৰা জানি লিখা

- আগতে দেখা পোৱা কিছুমান গছ এতিয়া আৰু পাবলৈ নোহোৱা হ'ল, সেইবোৰৰ নাম।
- আগতে নথকা গছ আজি-কালি দেখিবলৈ পোৱা যায়, সেইবোৰৰ নাম।

## ক্ৰিয়া-কলাপ

শুকান পাতেৰে তলৰ নমুনাবোৰ সাজা—







➢ শুকান পাত ব্যৱহাৰ কৰি আৰু কিছুমান নমুনা তৈয়াৰ কৰা।

## অনুশীলনী

১) উত্তৰ লিখা —

(ক) চাৰিবিধ বৃক্ষৰ নাম

(খ) অসমত পোৱা দুবিধ মূল্যৱান কাঠৰ নাম

(গ) দুবিধ লতা জাতীয় উদ্ভিদৰ নাম

(ঘ) ঔষধ হিচাপে ব্যৱহাৰ কৰা দুবিধ পাতৰ নাম

(ঙ) গছৰ শিপাৰ দুটা কাম

(চ) লাউ, জিকা আদি গছৰ বাবে চাং সাজি দিয়াৰ কাৰণ কি ?

২) 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা —

| 'ক' | 'খ' |
| --- | --- |
| চিত্ৰনলা গছৰ পৰা | কীট নাশক হিচাপে ব্যৱহাৰ কৰা হয়। |
| তেজপাত | চাহপাত প্ৰস্তুত কৰা হয়। |
| চাহ গছৰ পাতৰ পৰা | তেল উলিওৱা হয়। |
| নিম গছৰ পাত | ৰন্ধা-বঢ়া কামত ব্যৱহাৰ কৰা হয়। |

৩) খালী ঠাই পূৰ কৰা —

(ক) গছে ______________ ৰ দ্বাৰা পানী শুহি লয়।

(খ) চাহ গছবোৰ চাপৰ আৰু ______________।

(গ) কিছুমান ______________ শাক হিচাপে ৰান্ধি খোৱা হয়।

(ঘ) টকৌ পাতেৰে ______________ সজা হয়।



৪) শুদ্ধ উত্তৰত '✓' চিন দিয়া —

(ক) বাঁহ গছ গুল্ম/ বৃক্ষ /তৃণ জাতীয় উদ্ভিদ।

(খ) গুল্ম জাতীয় উদ্ভিদ বৃক্ষতকৈ সৰু/ ডাঙৰ।

(গ) বৃক্ষ জাতীয় উদ্ভিদৰ গা-গছ বৰ টান/কোমল।

(ঘ) তাল/ আম /নিম গছৰ পাতেৰে বিচনী সজা হয়।

৫) এটাকৈ পাৰ্থক্য লিখা—

(ক) বৃক্ষ আৰু গুল্ম

(খ) বাঁহ গছ আৰু আম গছ

(গ) লতা আৰু তৃণ

৬) ফুটবোৰ লগ লগোৱা আৰু যিখন ছবি পালা তাত ৰং কৰা—

